6

### লক্ষ্মীনাথ বেজবৰুৱাৰ অপূৰ্ব সৃষ্টিৰাজিয়ে সাহিত্যৰ সৰ্বক্ষেত্ৰ সমৃদ্ধ কৰিছে ঃ মনজ্যোৎস্না মহন্ত গোস্বামী

# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত সাহিত্য দিৱস উদ্‌যাপন

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱসটি সাহিত্য দিৱস হিচাপে কালি উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়খনৰ গণিত বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° শিখা শইকীয়াই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° দীপক পাঠকে অনুষ্ঠানৰ আদৰণী ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ জাতীয় জীৱনৰ আধুনিক সাহিত্যৰ ভেটি নিৰ্মাণত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ কথা উল্লেখ কৰে। সাহিত্য দিৱসৰ কাৰ্যসূচীত 'লক্ষ্মীনাথ বেজবৰুৱাৰ গীত আৰু স্বদেশপ্ৰেম' শীৰ্ষক মনোজ্ঞ আলোচনা আগবঢ়ায় ৰাজ্যৰ বিশিষ্ট সংগীত শিল্পী তথা সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা মনজ্যোৎস্না মহন্ত গোস্বামীয়ে। তেওঁ কয় যে লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ অন্য এটা সোণালী যুগৰ খনিকৰ আছিল। একেদৰে ৰোমাণ্টিক সাহিত্যৰ পটভূমি, জোনাকী আৰু বাঁহীৰ ভিন্ন প্ৰসংগৰে গীত-কবিতা-নাটকৰ উদ্ধৃতিসহ তেওঁ এক মননশীল আলোচনা আগবঢ়ায়। তাৎপৰ্যপূৰ্ণভাৱে তেওঁ উল্লেখ কৰে লক্ষ্মীনাথ বেজবৰুৱাৰ অপূৰ্ব সৃষ্টিৰাজিয়ে সাহিত্যৰ সৰ্বক্ষেত্ৰ সমৃদ্ধ কৰিছে। মানুহৰ মাজত সোমাই যাব পৰাকৈ সৌন্দৰ্যশালী সাহিত্য সৃষ্টি কৰি বেজবৰুৱাই নিজস্ব চিন্তা-চেতনাৰে সমাজৰ ভিন্ন দৃষ্টিকোণ অংকন কৰিবলৈ সক্ষম হৈছিল। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত ডেকাই আঁত ধৰা সভাখনত অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° লিপিকা তালুকদাৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য চৰ্চা সন্দৰ্ভত আলোকপাত কৰে। একেটা অনুষ্ঠানতে



লক্ষ্মীনাথ বেজবৰুৱা ৰচিত কেইবাটাও গীত মনজ্যোৎস্না মহন্ত গোস্বামীয়ে পৰিবেশন কৰে। গীত পৰিবেশনৰ মাজেদি তেওঁ গীতৰ পাঠ ব্যাখ্যাও আগবঢ়ায়। লক্ষ্মীনাথ বেজবৰুৱাৰ গীত-কথা বিষয়ক একেটা অনুষ্ঠানতে শিল্পীগৰাকীয়ে এক অন্তৰংগ মত-বিনিময়তো অংশগ্ৰহণ কৰে। শিল্পীগৰাকীৰ লগত এই অনুষ্ঠানটি পৰিচালনা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° মনোজ কুমাৰ দাসে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০২৪ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ পৰা সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী অঞ্জুমা বেগমলৈ আশাৰ তৰা শৈক্ষিক বঁটা আগবঢ়োৱা হয়। অতিথি শিল্পী হৃদয় গোস্বামী প্ৰমুখ্যে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত থাকে।

ASOMIYA PRATIDIN
DATE : 28/03/2025
Pg. No. : 06

S25